# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 11-06-2025
**Time :** 1800 HRS

## ***Assamese Evening Bulletin***

**- - - - - - - - - - - - - -**

কেন্দ্ৰীয় শিক্ষা মন্ত্ৰালয়ে চৰাইদেউ জিলাৰ সাপেখাঁটিত এখন নতুন জৱাহৰ নবোদয় বিদ্যালয় নিৰ্মাণৰ অনুমোদন জনাইছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে আজি এই কথা সদৰি কৰি কয়, যে নতুন বিদ্যালয়খনৰ সংযোজনে জিলাখনৰ শিক্ষাৰ মান অধিক শক্তিশালী কৰাৰ লগতে শিশুসকলক উন্নত শিক্ষাৰ সুযোগ প্ৰদান কৰিব। এই সিদ্ধান্তৰ বাবে তেওঁ কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানক কৃতজ্ঞতা জ্ঞাপন কৰে।

০০০০০

ৰাজ্যত উৎকট গৰমে জনসাধাৰণৰ জীৱন বিপৰ্যস্ত কৰি তোলাৰ সময়তে আজি ডিব্ৰুগড় জিলাৰ দুলীয়াজানত এজন লোকৰ গৰমৰ বাবে মৃত্যু হোৱাৰ সন্দেহ কৰা হৈছে। দুলীয়াজানৰ অইল ইণ্ডিয়াৰ অগ্নিনিৰ্বাপক বাহিনীৰ কাৰ্যালয়ৰ সমীপত মৃতদেহটো উদ্ধাৰ কৰা হয়। আৰক্ষীয়ে এই পৰ্যন্ত মৃত লোকজনৰ পৰিচয় জানিব পৰা নাই।

০০০০০

লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱাই মিছামাৰী নদী নিয়ন্ত্ৰণৰ লক্ষ্যৰে নিৰ্মাণ কৰিবলৈ লোৱা মথাউৰিৰ আজি আধাৰশিলা স্থাপন কৰে। মহাৰাষ্ট্ৰৰ পুনেৰ নাম ফাউণ্ডেচন নামৰ এটা বেচৰকাৰী সংস্থাৰ আৰ্থিক সাহায্যত এই মথাউৰিটো নিৰ্মাণ কৰা হ'ব। আধাৰশিলা স্থাপন অনুষ্ঠানত সাংসদ বৰুৱাই বান আৰু খহনীয়াৰ পৰা জীৱন আৰু সম্পত্তিৰ সুৰক্ষা সুনিশ্চিত কৰাত চৰকাৰে সদায়ে অগ্ৰাধিকাৰ দি আহিছে বুলি উল্লেখ কৰে। তেওঁ কয়, যে মিছামাৰী নদী আৰু ইয়াৰ জল নিৰ্গমন স্থলসমূহৰ ওপৰত নিৰ্মীয়মান দলং আৰু কালভাৰ্টসমূহত পানীৰ গতিপথক লক্ষ্য কৰি মথাউৰি নিৰ্মাণৰ পৰিকল্পনা কৰা হৈছে। অনুষ্ঠানত জিলা আয়ুক্ত ৰাহুল সুৰেশ জাভিৰ, ধেমাজি জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, চিচিবৰগাঁও চক্ৰ বিষয়া, চিচিবৰগাঁও খণ্ড উন্নয়ন বিষয়া আদিকে ধৰি বহুসংখ্যক শীৰ্ষ বিষয়া তথা অন্যান্য লোক উপস্থিত থাকে।

সাংসদ প্ৰদান বৰুৱাই আজি ধেমাজিৰ ভজোগাঁৱৰ ৰাষ্ট্ৰীয় ঘাইপথত নিৰ্মীয়মান কালভাৰ্ট পৰিদৰ্শন কৰে। সাংসদ শ্ৰীবৰুৱাই যাতায়াতৰ ক্ষেত্ৰত অতি স্পৰ্শকাতৰ হৈ থকা ৰাষ্ট্ৰীয় পথৰ এই অংশৰ নিৰ্মাণকাৰ্য তাৎক্ষণিকভাৱে সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে।

০০০০০

তিনিচুকীয়া জিলাৰ জিলা আয়ুক্ত স্বপ্নীল পালে আজি হাঁহচৰা মণ্ডল প্ৰাথমিক বিদ্যালয় পৰিদৰ্শন কৰি কেইবাটাও বিষয়ত গুৰুত্বপূৰ্ণ পৰ্যালোচনা কৰে। তেওঁ বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ সৈতেও মত বিনিময় কৰে। জিলাখনৰ চাহ বাগিচাৰ অন্তৰ্গত বিদ্যালয়সমূহৰ সকলো ছাত্ৰ-ছাত্ৰীৰ আধাৰকাৰ্ড আৰু জন্মৰ প্ৰমাণপত্ৰৰ সুবিধা লাভ, বিদ্যালয়সমূহত গাঁথনিগত আৰু গাণিতিক সাক্ষৰতাৰ কাৰ্যসূচী ৰূপায়ণ,

মধ্যাহ্ন ভোজন আঁচনিৰ অধীনত প্ৰতি সপ্তাহত অন্ততঃ এটা অতিৰিক্ত কণী প্ৰদান আৰু বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি তথা আধাতে বিদ্যালয় এৰি যোৱাৰ হাৰ আৰু ইয়াৰ কাৰণ আদি বিষয়ত পৰ্যালোচনা কৰা হয়। জিলা আয়ুক্তগৰাকীয়ে বিদ্যালয়খনত ছাত্ৰ-ছাত্ৰীৰ আধাৰ নামভৰ্তিৰ বাবে এটা আধাৰশিবিৰ মুকলি কৰে। এই পৰ্যালোচনা বৈঠকত অতিৰিক্ত, বিদ্যালয়ৰ পৰিদৰ্শক, স্বাস্থ্য বিভাগৰ প্ৰতিনিধি তথা অন্যান্য বিষয়াসকল উপস্থিত থাকে।

০০০০০

ধেমাজি জিলাৰ চিচিবৰ গাঁও বিধানসভা সমষ্টিত অংগনবাড়ী কৰ্মীসকলৰ মাজত সাংসদ প্ৰদান বৰুৱাই মোবাইল ফোন বিতৰণ কৰে। ধেমাজি জিলাৰ মহিলা আৰু শিশু বিকাশ বিভাগৰ সৌজন্যত চিচিবৰ গাঁও সংহত শিশু উন্নয়ন প্ৰকল্পৰ উদ্যোগত আয়োজিত কাৰ্যসূচীত সাংসদ প্ৰদান বৰুৱাই অংগনবাড়ী কৰ্মীসকলৰ বাবে চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপ সম্পৰ্কত আলোচনা কৰে। আজিৰ সভাত ৫৩৫গৰাকী অংগনবাড়ী কৰ্মীক মোবাইল ফোন বিতৰণৰ জৰিয়তে অংগনবাড়ী কেন্দ্ৰসমূহৰ কাৰ্যক্ষমতা বৃদ্ধিৰ লক্ষ্য লোৱা হৈছে। লগতে এই স্মাৰ্ট ফোনৰ সহায়ত কৰ্মীসকলে শিশুৰ শিক্ষা, পুষ্টি আদি সন্দৰ্ভত তথ্য সংগ্ৰহৰ উপৰি অন্যান্য কামসমূহ সহজভাৱে সম্পাদন কৰিব পাৰিব বুলি সাংসদগৰাকীয়ে মন্তব্য কৰে।

০০০০০

ৰাজ্যত দেশবিৰোধী মন্তব্য কৰাৰ অভিযোগত অসম আৰক্ষীয়ে এইপৰ্যন্ত বিভিন্ন জিলাৰ পৰা ৯২ জন লোকক গ্ৰেপ্তাৰ কৰিছে। শেহতীয়াকৈ লখিমপুৰ আৰক্ষীয়ে ছাবিকুল ইছলাম আৰু নগাঁও আৰক্ষীয়ে দুলাল বৰা নামৰ দুজন লোকক গ্ৰেপ্তাৰ কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই বিষয়ে প্ৰকাশ কৰি অসম আৰক্ষীয়ে এই অভিযান পৰৱৰ্তী সময়তো অব্যাহত ৰাখিব বুলি উল্লেখ কৰিছে।

০০০০০

ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত ডিব্ৰুগড় জিলা খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগে আজি মানকটা সমবায় সমিতি আৰু তিলৈনগৰ সমবায় সমিতিৰ লগতে বিভিন্ন এলেকাৰ সুলভ মূল্যৰ দোকানৰ এজেণ্টসকলে হিতাধিকাৰীৰ মাজত তিনিমাহৰ চাউল বিতৰণ কৰে। জিলাখনত এহেজাৰ ৫৫২ গৰাকী সুলভ মূল্যৰ দোকানৰ এজেণ্টে ৯৪ দশমিক ৩-৬ শতাংশ হিতাধিকাৰীৰ মাজত চাউল বিতৰণ কৰিছে। চাউল সংগ্ৰহ কৰিবলৈ বাকী থকা হিতাধিকাৰীসকলক অহা ২০ জুনৰ ভিতৰত সুলভ মূল্যৰ দোকানৰ এজেণ্টৰ পৰা নিজৰ প্ৰাপ্য সংগ্ৰহ কৰিবলৈ বিভাগে অনুৰোধ জনাইছে।

০০০০০

সমাপ্ত